**হৰিলাল আৰু অন্যান্য**

**বনাম**

**উত্তৰ প্ৰদেশ চৰকাৰ**

**৫ ডিচেম্বৰ, ২০০৬**

**[এছ.বি.সিন্‌হা আৰু মাৰ্কাণ্ডে কাট্‌জু ,ন্যায়াধীশ**.]

দণ্ডবিধি আইন, ১৮৬০ : ধাৰা ৩০২, ৩০৭, ৩২৪ ৰ লগতে আনুষংগিক ধাৰা ১৪৯

আক্ৰমণ আৰু হত্যা- ভূমি বিবাদ-বেআইনী সমাৱেশ-অভিযুক্ত ব্যক্তিসকলে আগ্নেয়াস্ত্ৰ চালনা কৰি ফৰিয়াদী পক্ষৰ সদস্যসকলক আহত কৰে- দুজন লোক আহত হৈ মৃত্যুমুখত পৰে- এজাহাৰ-অভিযোগনামা-বিচাৰ আদালতে অভিযুক্ত ব্যক্তিসকলক ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২, ৩০৭, ৩২৪ আৰু আনুষংগিক ধাৰা ১৪৯-ৰ অধীনত অপৰাধ সংঘটিত কৰাৰ বাবে দোষী সাব্যস্ত কৰে আৰু সেইমৰ্মে তেওঁলোকক শাস্তি প্ৰদান কৰে-অভিযুক্ত-আপীলকাৰীসকলৰ সন্দৰ্ভত উচ্চ ন্যায়ালয়ে এয়া নিশ্চিত কৰে, আনজনক সন্দেহৰ সুবিধা প্ৰদানেৰে দোষমুক্ত কৰে- আপীলত এনেদৰে ৰায় প্ৰদান কৰা হয়ঃ সংঘটনৰ মাত্ৰা বিবেচনা অনুসৰি দণ্ডাধীশলৈ বিশেষ প্ৰতিবেদন প্ৰেৰণত বিলম্ব হোৱাৰ বাবে সমগ্ৰ গোচৰীয়াৰ মোকৰ্দমাটো নাকচ কৰিব নোৱাৰি-চিকিৎসাগত সাক্ষ্যই গুচৰীয়াৰ গোচৰটো সমৰ্থন কৰে-নথিভুক্ত সাক্ষ্য অনুসৰি ভুক্তভোগীসকলৰ প্ৰতি নিৰ্বিচাৰে গুলীচালনা কৰাৰ ফলত দুজন লোকৰ মৃত্যু হয় আৰু আন লোক আহত হয় -গোচৰটোৰ তথ্য আৰু পৰিস্থিতিৰ অন্তৰ্গত হত্যা কৰাৰ অভিপ্ৰায় স্পষ্ট-ফৰিয়াদী পক্ষৰ সাক্ষীসকলৰ বিবৃতিত পৰিলক্ষিত হোৱা অমিলসমূহ বৰ গুৰুত্বপূৰ্ণ নহয়-সকলো অভিযুক্তই অস্ত্ৰ- শস্ত্ৰৰে সুসজ্জিত হৈ আহি বিৰোধী পক্ষৰ সদস্যসকলৰ ওপৰত গুলীচালনা কৰিছিল

যাৰ ফলত তেওঁলোকৰ দুজন লোকৰ মৃত্যু হৈছিল-সেয়েহে, উচ্চ ন্যায়ালয়ে তেওঁলোকক ৩০২,৩০৭,৩২৪ নং ধাৰা  আৰু আনুষংগিক ধাৰা নং ১৪৯ ৰ অধীনত দণ্ডনীয় অপৰাধ সংঘটিত কৰাৰ বাবে সঠিকভাৱে দোষী সাব্যস্ত কৰিছিল।

বেআইনী সমাৱেশ-ইয়াৰ উপাদান - আলোচনা।

অভিযুক্ত ব্যক্তি আৰু ভুক্তভোগীসকলৰ মাজত ভূমি বিবাদ আছিল, যাৰ ফলত তেওঁলোকৰ মাজত শত্ৰুতা আছিল। দুৰ্ভাগ্যজনক দিনটোত অভিযুক্ত আপীলকাৰী আৰু আনসকলে এক বেআইনী সমাৱেশ গঠন কৰিছিল, আনটো পক্ষৰ সদস্যসকলক আগ্নেয়াস্ত্ৰেৰে আক্ৰমণ কৰিছিল, যাৰ ফলত দুজন লোকৰ মৃত্যু হৈছিল আৰু আনসকল আহত হৈছিল। আৰক্ষী থানাত এজাহাৰ দাখিল কৰা হৈছিল, গোচৰটোৰ তদন্ত কৰা হৈছিল আৰু অভিযোগনামা দাখিল কৰা হৈছিল। বিচাৰ আদালতে আপীলকাৰী আৰু অন্য এজনক ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ আৰু আনুষংগিক ধাৰা ১৪৯-ৰ  অধীনত অপৰাধ সংঘটিত কৰাৰ বাবে দোষী সাব্যস্ত কৰি আজীৱন সশ্ৰম কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰে, আৰু ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০৭ আৰু আনুষংগিক ধাৰা ১৪৯-ৰ অধীনত প্ৰাণঘাতী আক্ৰমণ সংঘটিত কৰাৰ বাবে তেওঁলোকক পাঁচ বছৰৰ কাৰাদণ্ড প্ৰদান কৰে আৰু ভাৰতীয় দণ্ডবিধি  আইনৰ ধাৰা ৩২৪ আৰু আনুষংগিক ধাৰা ১৪৯-ৰ  অধীনত আন এজন ব্যক্তিক আঘাত কৰাৰ বাবে দুবছৰৰ সশ্ৰম কাৰাদণ্ড প্ৰদান কৰে । আপীলৰ ফলশ্ৰুতিত উচ্চ ন্যায়ালয়ে এজন অভিযুক্ত ব্যক্তিক সন্দেহৰ ওপৰত পাব পৰা সুবিধা প্ৰদান কৰি দোষমুক্ত কৰে। সেয়েহে বৰ্তমানৰ আপীল কৰা হৈছে।

অভিযুক্ত-আপীলকাৰীসকলে দাবী কৰিছিল যে প্ৰাথমিক তথ্য প্ৰতিবেদন পিছদিনাহে দণ্ডাধীশলৈ প্ৰেৰণ কৰাৰ পৰিপ্ৰেক্ষিতত ইয়াক বিলম্বিত বুলি ৰায়দান কৰিব লাগে; তদন্তকাৰী বিষয়াজনে মত প্ৰকাশ কৰিছিল যে ভাৰতীয় দণ্ডবিধি

আইনৰ ধাৰা ৩৯৬ ৰ অধীনত এক অপৰাধ সংঘটিত হোৱাৰ পিছত, ইয়াক ভাৰতীয় দণ্ডবিধি আইনৰ ৩০২ ধাৰাৰ অধীনৰ অপৰাধলৈ ৰূপান্তৰ কৰাৰ কোনো কাৰণ নাছিল; মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনত প্ৰকাশ যে এটা আঘাতৰ বৰণ ক'লা হৈছিল আৰু সেয়েহে, কম দূৰত্বৰ পৰা গুলীচালনা কৰা হ'ব লাগিব আৰু তেওঁলোকে পিষ্টল লৈ থকা বুলি কোৱা হৈছিল, তেওঁলোকে উক্ত আঘাতৰ সৃষ্টি কৰিব নোৱাৰিলেহেঁতেন; অপৰাধ সংঘটিত কৰাৰ তেওঁলোকৰ কোনো অভিপ্ৰায় নাছিল; প্ৰত্যক্ষদৰ্শী ফৰিয়াদী সাক্ষী নং ১ আৰু ২-এ ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ১৬১ ৰ অধীনৰ তেওঁলোকৰ বিবৃতিত আৰক্ষীৰ আগত ১ নং আপীলকাৰীৰ নাম উল্লেখ নকৰাৰ পৰিপ্ৰেক্ষিতত তেওঁলোকৰ ওপৰত নিৰ্ভৰ কৰিব নালাগিছিল।

আপীল খাৰিজ কৰি ন্যায়ালয়ে এনেদৰে ৰায়দান কৰেঃ

(১.১) বিচাৰ আদালতৰ লগতে উচ্চ ন্যায়ালয়েও ফৰিয়াদী পক্ষই দাখিল কৰা নথিভুক্ত সাক্ষ্য পুংখানুপুংখভাৱে বিশ্লেষণ কৰিছিল। খৰতকীয়াভাৱে এজাহাৰ দাখিল কৰা হৈছিল। এনে এক ভয়ংকৰ অপৰাধ সংঘটিত হোৱাৰ পিছত, ফৰিয়াদী সাক্ষীয়ে যথাসম্ভৱ সোনকালে আৰক্ষীক খবৰ দিয়াটো স্বাভাৱিক আছিল। আহত ব্যক্তিসকলৰ বাবে প্ৰয়োজনীয় চিকিৎসা লোৱাটোও প্ৰয়োজনীয় আছিল, বিশেষকৈ তেওঁলোকে সন্মুখীন হোৱা আঘাতৰ প্ৰকৃতিৰ পৰিপ্ৰেক্ষিতত ।

[৬৬-জি-এইছ; ৬৭-এ]

(১.২) প্ৰাথমিক তথ্য প্ৰতিবেদন বিলম্ব হোৱা অভিযোগৰ প্ৰশ্নৰ ওপৰত তদন্তকাৰী বিষয়াজনক জেৰা কৰা হৈছিল। এইটো হ'ব পাৰে যে পিছদিনা বিশেষ প্ৰতিবেদন দণ্ডাধীশলৈ প্ৰেৰণ কৰা হৈছিল, কিন্তু, সংঘটনৰ মাত্ৰাৰ প্ৰতি

লক্ষ্য ৰাখি, এইটোৱে সমগ্ৰ ফৰিয়াদী পক্ষৰ কাহিনীটোক অস্বীকাৰ নকৰে। [৬৭-বি]

(১.৩) চিকিৎসা সম্পৰ্কীয় সাক্ষ্যই ফৰিয়াদী পক্ষৰ গোচৰটো সমৰ্থন কৰে। মৃতক আৰু আহত ব্যক্তিসকলৰ ওপৰত পোৱা আঘাতসমূহে নিশ্চিতভাৱে সূচায় যে সেইবোৰ আগ্নেয়াস্ত্ৰৰ ফলত হৈছিল। তদন্তকাৰী বিষয়াগৰাকীয়েও ঘটনাস্থলীৰ পৰা বৃহৎ পৰিমাণৰ কাৰ্টিজ উদ্ধাৰ কৰে । নথিভুক্ত সাক্ষ্যইয়ো আভাস দিয়ে যে ভুক্তভোগীসকলৰ মাজৰ এগৰাকীৰ প্ৰতি অৰ্থাৎ মৃতকৰ প্ৰতি নিৰ্বিচাৰ গুলীচালনা কৰা হৈছিল। তেওঁক মৃত অৱস্থাত পোৱা ঘৰটোৰ খিৰিকীখন ভাঙি গৈছিল। সেয়েহে, বিচাৰ আদালত আৰু উচ্চ ন্যায়ালয়ৰ ৰায়ৰ সৈতে ভিন্ন হোৱাৰ কোনো কাৰণ নাই।

[১৬৭-ই,এফ,জি]

( ২.১) আপীলকাৰী আৰু অন্যান্য অভিযুক্ত ব্যক্তিসকলৰ দ্বাৰা হত্যাকাণ্ড সংঘটিত কৰাৰ অভিপ্ৰায় স্পষ্ট হৈছে। অভিযুক্তসকলে জানিব পাৰিছিল যে আন দলৰ সদস্য এজন গাঁৱত উপস্থিত আছিল, সেয়ে তেওঁলোকে এই অপৰাধ সংঘটিত কৰিছিল । [৬৭-এইছ]

(২.২) আপীলকাৰীসকলে পিষ্টল বা বন্দুক ধৰি আছিল নে নাই সেই সম্পৰ্কে ফৰিয়াদী সাক্ষী নং ১ আৰু ২ৰ বিবৃতিত থকা কেইটামান পাৰ্থক্য বেছি গুৰুত্বপূৰ্ণ নহয়। গোচৰটোৰ তথ্য আৰু পৰিস্থিতিত, আপীলকাৰীসকলৰ উমৈহতীয়া অভিপ্ৰায় প্ৰমাণ কৰাত ফৰিয়াদী পক্ষ ব্যৰ্থ হৈছে বুলি আপীলকাৰীসকলে কৰা উপস্থাপন স্বীকাৰ কৰিব নোৱাৰি। [৬৮-বি]

*বালাদিন আৰু অন্যান্য বনাম উত্তৰ প্ৰদেশ চৰকাৰ, এ আই আৰ (১৯৫৬) এছ চি ১৮১; মাছাল্টি আৰু অন্যান্য বনাম উত্তৰ প্ৰদেশ চৰকাৰ, এ আই আৰ (১৯৬৫) এছ চি ২০২; নাথু সিং যাদৱ বনাম মধ্য প্ৰদেশ চৰকাৰ, জে টি (২০০২)*

*৯ এছ চি ৫৯১ আৰু ওগৰ আহিৰ আৰু অন্যান্য বনাম বিহাৰ চৰকাৰ,* এ আই আৰ (১৯৬৫) এছ চি ২৭৭, প্ৰযোজ্য নহয় বুলি ৰায়দান।

**(**৩.১) উমৈহতীয়া অভিপ্ৰায়ৰ অৰ্থ এয়ে হ'ব যে এনে সমাৱেশৰ সকলো সদস্যই উদ্দেশ্য বা অভিসন্ধিৰ অংশীদাৰ আছিল। ই যিকোনো পৰ্যায়ত গঠন হ'ব পাৰে। এটা নিৰ্দিষ্ট গোচৰত অভিযুক্ত ব্যক্তিসকলে উমৈহতীয়া অভিপ্ৰায়ৰ অংশীদাৰীত্ব কৰিছিল নে নাই, সেইয়া অভিযুক্ত ব্যক্তিসকলৰ কাৰ্যকলাপ আৰু আচৰণৰ পৰা নিশ্চিত হ'ব লাগিব। চৌপাশৰ পৰিস্থিতিও প্ৰাসংগিক আৰু এই সন্দৰ্ভত এক সিদ্ধান্তত উপনীত হোৱাৰ ক্ষেত্ৰত এয়া বিবেচনা কৰিব পাৰি। [৭০-বি চি]

(৩.২) চৌপাশৰ পৰিস্থিতি দুটা ভাগত বিভক্ত। উমৈহতীয়া অভিপ্ৰায়ৰ পৰিপ্ৰেক্ষিতত অপৰাধটো সংঘটিত হ'লে প্ৰথম অংশটো প্ৰযোজ্য হ'ব। জনসমাৱেশৰ উমৈহতীয়া অভিপ্ৰায় পোনপটীয়াকৈ কাৰ্যকৰী কৰা সত্ত্বেও যদি এয়া সংঘটিত নহয় তেনে ক্ষেত্ৰতো ভাৰতীয় দণ্ডবিধি আইনৰ ১৪৯ নং ধাৰা প্ৰযোজ্য হ'ব। অৱশ্যে এনে উমৈহতীয়া অভিপ্ৰায়ৰ পৰিপ্ৰেক্ষিতত অপৰাধটো সংঘটিত হ'লে এইয়া দ্বিতীয় অংশৰ পৰিসৰত থাকিব। [৭০-চি,ডি]

(৩.৩) এই গোচৰটোত, সকলো অভিযুক্ত ব্যক্তিয়ে যথেষ্ট অস্ত্ৰ-শস্ত্ৰ লৈ আহিছিল। ভুক্তভোগীসকলৰ এজনে তেওঁলোকক দেখা পাইছিল। তেওঁক কেৱল খেদি পঠিওৱাই নহয়, তেওঁৰ ওপৰত এটা গুলী চলোৱা হৈছিল যাৰ ফলত তেওঁ সোঁ বাহুত আঘাত পাইছিল। তেওঁ তেতিয়াও দৌৰিছিল আৰু অন্য লোকসকলকো অৱগত কৰিছিল। অন্য লোকসকলে নিজকে লুকুৱাবলৈ প্ৰয়াস কৰাৰ আগতে,আপীলকাৰীসকলে ঘটনাস্থলীত উপস্থিত হৈ গুলীবৰ্ষণ আৰম্ভ কৰে। ওচৰৰ পৰা গুলীচালনা কৰাৰ ফলত বিপৰীত দলৰ এজন সদস্যৰ মৃত্যু হৈছিল। মৰণোত্তৰ পৰীক্ষাৰ শল্য চিকিৎসকে কিমান দূৰত্বৰ পৰা গুলীচালনা কৰা হৈছিল সেয়া কোৱা নাছিল। এইটো ব্যৱহাৰ কৰা অস্ত্ৰৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰিব। এটা পিষ্টলৰ ক্ষেত্ৰত এই দূৰত্ব ২ ফুট হ'ব পাৰে, আনহাতে এটা বন্দুকৰ

ক্ষেত্রত  এই দূৰত্ব ৩ ফুট হ'ব পাৰে। কিন্তু, নিঃসন্দেহে আঘাতটো অতি কম দূৰত্বৰ পৰা চালনা কৰা এটা গুলীৰ ফলত হৈছিল। [৭০-ই, এফ]

*বাসু প্ৰসাদ আৰু অন্যান্য বনাম বিহাৰ ৰাজ্য,* [২০০৬] ১২ স্কেল ৩৫৪, উল্লেখ কৰা হৈছে।

*"মেডিকেল জুৰিছপ্ৰুডেন্স আৰু টক্সিক'লজি", মোদী বিৰচিত ২৩ তম সংস্কৰণ, পৃষ্ঠা ৭২১; মেজৰ ছাৰ জেৰাল্ড বুৰার্ড বিৰচিত "দ্য আইডেন্টিফিকেচন অৱ ফায়াৰ আৰ্মছ এণ্ড ফৰেনচিক বেলিষ্টিকছ" আৰু ৰাছেল এ গ্ৰেগৰী বিৰচিত "আইডেন্টিফিকেচন অৱ ডিছ্‌পিউটেড ডকুমেন্তছ, ফিংগাৰ প্ৰিণ্টছ এণ্ড বেলিষ্টিকছ", তৃতীয় সংস্কৰণ, ১১৭ নং পৃষ্ঠা,* উল্লেখ কৰা হৈছে।

(৪) ইয়াত কোনো সন্দেহ থাকিব নোৱাৰে যে য'ত দুটা মতামত সম্ভৱ হয়, আপীলকাৰীসকলে উপস্থাপন কৰাৰ দৰে অভিযুক্তক সন্দেহৰ সুবিধা দিব লাগিব। ইয়াত কোনো সন্দেহ নাই যে উচ্চ ন্যায়ালয়ে সঠিক সিদ্ধান্তত উপনীত হৈছিল।

[৭২-এফ]

ফৌজদাৰী আপীল ক্ষেত্ৰাধিকাৰঃ ফৌজদাৰী আপীল নং. ৯৭/২০০০ ।

এলাহাবাদ উচ্চ ন্যায়ালয়ৰ ফৌজদাৰী আপীল নং ২৮২৪/১৯৮০ ত ১১/৩/১৯৯৯ তাৰিখৰ চূড়ান্ত ৰায় আৰু নিৰ্দেশৰ পৰা।

আপীলকাৰীসকলৰ হৈ অশোক ভান, শ্ৰীমতী বৰুণা ভাণ্ডাৰী গুগনানী, ডি.এছ.মহাৰা আৰু ডাঃ নাফিছ এ. ছিদ্দিকী।

প্ৰতিবাদীপক্ষৰ হৈ অশোক কে. শ্ৰীবাস্তৱ আৰু অনুব্ৰত শৰ্মা।

ন্যায়ালয়ৰ ৰায়দান প্ৰদান কৰে ন্যায়াধীশ এছ. বি.সিন্‌হাই।

দুগৰাকী আপীলকাৰীয়ে আমাৰ সন্মুখত ফৌজদাৰী আপীল নং.২৮২৪/১৯৮০ ত ১১/৩/১৯৯৯ তাৰিখৰ ৰায়  আৰু নিৰ্দেশক লৈ প্ৰশ্ন উত্থাপন কৰিছে, যাৰ দ্বাৰা আৰু যাৰ অধীনত ভাৰতীয় দণ্ডবিধি আইন, ১৮৬০ (সংক্ষেপে 'আই পি চি') ৰ

ধাৰা ৩০২ আৰু আনুষংগিক ধাৰা নং ১৪৯  তথা অন্যান্য ধাৰাৰ অধীনত তেওঁলোকৰ দোষী সাব্যস্তকৰণ আৰু দণ্ডাজ্ঞা বাহাল ৰখা হৈছে।

উত্তৰ প্ৰদেশৰ মৈনপুৰী জিলাৰ ভগাঁও থানাৰ অন্তৰ্গত বলৰপুৰ গাঁৱত ১৯৭৯ চনৰ ২ নৱেম্বৰৰ ৰাতিপুৱা প্ৰায় ১০ বজাত সংঘটিত ঘটনাটোৰ ফলত হাজাৰিলাল নামৰ এজন লোকৰ লগতে শ্ৰীমতী ৰামশ্ৰীৰ মৃত্যু হয় , বলবীৰ সিং নামৰ এজন লোক গুৰুতৰভাৱে আহত হয় আৰু শ্ৰীমতী মোহৰশ্ৰী সামান্যভাৱে আহত হয়।. হাজাৰিলালৰ পুত্ৰ হৰপাল সিং আৰু মৃত শ্ৰীমতী ৰামশ্ৰীৰ স্বামীয়ে এজাহাৰ দাখিল কৰিছিল।
আপীলকাৰীকেইজনো একেখন গাঁৱৰে বাসিন্দা। তেওঁলোকৰ লগতে ৰেজিষ্টাৰ সিং, বাহাদুৰ, বাবু ৰাম, ছোটেলাল, চোহৰান, জয় সিং, আৰু জয় সিঙৰ পুত্ৰ চুবেদাৰ আৰু কেদাৰৰ নাম প্ৰাথমিক তথ্য প্ৰতিবেদনত উল্লেখ কৰা হৈছিল। তিনিজন লোক অজ্ঞাত হোৱাৰ বাবে তাত তেওঁলোকৰ নাম উল্লেখ কৰা হোৱা নাছিল। বাহাদুৰ সিং এজন বাহিৰৰ মানুহ বুলি কোৱা হৈছে।
বাবু ৰাম, ছোটেলাল আৰু চোহৰান হৈছে সহোদৰ ভাতৃ। এওঁলোক হৈছে চমন লালৰ পুত্ৰ। ৰেজিষ্টাৰ সিং হৈছে বাবু ৰামৰ পুত্ৰ। ফুল সিং ওৰফে ভজন লাল হৈছে পুন্নোৰ পুত্ৰ। জয় সিং হৈছে নাগপালৰ পুত্ৰ। চুবেদাৰ আৰু কেদাৰ হৈছে জয় সিঙৰ পুত্ৰ। বিচাৰাধীন কালত বাবু ৰাম আৰু ফুল সিঙৰ মৃত্যু হৈছিল। জয় সিঙক উচ্চ ন্যায়ালয়ে দোষমুক্ত কৰিছিল, আনহাতে চুবেদাৰ আৰু কেদাৰক বিদ্বান  সত্ৰ ন্যায়াধীশজনে দোষমুক্ত কৰিছিল। ফুল সিং, ৰেজিষ্টাৰ সিং আৰু বাহাদুৰ সিঙৰ হাতত বন্দুক আছিল বুলি উল্লেখ কৰা হৈছে। দোষমুক্ত হোৱা জয় সিং হেণ্ড গ্ৰেনেডৰ সৈতে সশস্ত্ৰ আছিল বুলি কোৱা হৈছিল। ইয়াৰ আপীলকাৰী চুবেদাৰ আৰু কেদাৰৰ হাতত দেশীয় পিষ্টল থকা বুলি কোৱা হৈছিল।

পক্ষসমূহৰ মাজত শত্ৰুতাৰ সন্দৰ্ভত কোনো বিবাদ নাই। তেওঁলোকৰ মাজত দীৰ্ঘদিন ধৰি চলি থকা ভূমি বিবাদো স্বীকাৰ কৰা হৈছে। এজাহাৰত এইবুলি

অভিযোগ কৰা হৈছিল যে ১৯৭৬ চনত প্ৰথম এজাহাৰকাৰীৰ ভাতৃ ৰাম ঔতাৰৰ ওপৰত এক প্ৰাণঘাতী আক্ৰমণ সংঘটিত কৰা হৈছিল, য'ত অভিযুক্ত ব্যক্তিসকলক আক্ৰমণকাৰী বুলি অভিযোগ কৰা হৈছিল। অৱশ্যে, ৰেজিষ্টাৰ সিং আৰু বাহাদুৰ সিঙে সৃষ্টি কৰা আতংকৰ বাবে গোচৰটো সমৰ্থন কৰিবলৈ কোনো সাজু নাছিল বাবে চূড়ান্ত প্ৰতিবেদন দাখিলেৰে ইয়াৰ অন্ত পৰিছিল। ইয়াৰ পিছত ৰাম ঔতাৰক বিহাৰৰ গোপালগঞ্জলৈ স্থানান্তৰিত কৰা হয়। এজাহাৰকাৰী গৰাকীৰ আন এজন ভাতৃ ৰাম স্বৰূপ মৈনপুৰিলৈ স্থানান্তৰিত হৈছিল। ৰাম স্বৰূপ সেই অশুভ দিনটোত গাঁৱলৈ আহিছিল। উক্ত তথ্য লাভ কৰাৰ লগে লগে অভিযুক্ত ব্যক্তিসকলে এক বেআইনী সমাৱেশ গঠনেৰে বিভিন্ন মাৰাত্মক অস্ত্ৰ-শস্ত্ৰ লৈ ঘটনাস্থলীলৈ আহিছিল বুলি কোৱা হৈছিল। তেওঁলোকক ফৰিয়াদী সাক্ষী নং ৩ বলবীৰ সিঙে দেখা পাইছিল। তেওঁ গাঁৱৰ ফালে দৌৰিবলৈ আৰম্ভ কৰিলে। ৰেজিষ্টাৰ সিঙে উতসাহ দিছিল আৰু তেওঁক খেদি খেদি অনুসৰণ কৰা হৈছিল। গুলী চলোৱাৰ ফলত তেওঁৰ সোঁহাত আঘাতপ্ৰাপ্ত হৈছিল। সেই সময়ত হৰপাল সিং এখন খাটত বহি আছিল। তেওঁৰ মাক আৰু খুড়ী মাটিত বহি আছিল। তেওঁলোকে নিজৰ মাজতে কথা পাতি আছিল। বলবীৰ সিঙৰ খুৰাক মৃতক হাজাৰিলালে তেওঁৰ গৰু এৰাল দি আছিল। তেওঁ তেওঁলোকক জনাইছিল যে ৰেজিষ্টাৰ সিং আৰু অন্য কেইজনমানে আগ্নেয়াস্ত্ৰ লৈ তেওঁলোকৰ ঘৰলৈ আহি আছে আৰু লগতে তেওঁ আগ্নেয়াস্ত্ৰৰ দ্বাৰা আঘাতপ্ৰাপ্ত হৈছে। বলবীৰ সিঙে নিজৰ ঘৰৰ ভিতৰত আত্মগোপন কৰিছিল। জয় সিঙে অভিযোগ অনুসৰি হাজাৰিলালৰ ওপৰত এটা হেণ্ড গ্ৰেনেড নিক্ষেপ কৰিছিল। তেওঁ পৰি গৈছিল, যাৰ পিছত ফুল সিং আৰু বাহাদুৰ সিঙে তেওঁৰ ওপৰত গুলীচালনা কৰিছিল। হৰপাল সিঙে দৌৰি গৈ তেওঁৰ খুৰাক ৰাম স্বৰূপৰ ঘৰত প্ৰৱেশ কৰিছিল। তেওঁ ৰাম স্বৰূপৰ ৰাইফলটো লৈ ৰাম স্বৰূপৰ ঘৰৰ ওপৰৰ মহলাৰ পৰা অভিযুক্ত ব্যক্তিসকলৰ ফালে গুলীচালনা কৰিছিল। ইফালে, হৰপাল সিঙৰ পত্নী শ্ৰীমতী ৰামশ্ৰীয়েও প্ৰথম এজাহাৰকাৰীৰ বন্দুকৰে গুলীচালনা আৰম্ভ কৰিছিল। এই

সময়ত অভিযুক্ত ব্যক্তিসকলে তেওঁৰ ওপৰত নিৰ্বিচাৰ গুলীচালনা কৰিছিল, যাৰ ফলত তেওঁ আঘাতপ্ৰাপ্ত হৈছিল আৰু মৃত্যুবৰণ কৰিছিল। অভিযুক্ত ব্যক্তিসকলে প্ৰথম এজাহাৰকাৰীৰ খুৰাক ফুল সিং আৰু অনোখেৰ ঘৰত উপস্থিত হয় আৰু বলবীৰ সিঙৰ পত্নী মোহৰশ্ৰীলৈ লক্ষ্য কৰি কেইবাজাঁই গুলীচালনা কৰে, যাৰ ফলত তেওঁ আহত হয়। শিৱ সিঙো আঘাতপ্ৰাপ্ত হোৱা বুলি কোৱা হৈছিল, যিটো বিদ্বান সত্ৰ ন্যায়াধীশজনে বিশ্বাস কৰা নাছিল। হাজাৰিলাল আৰু শ্ৰীমতী ৰামশ্ৰীৰ মৃত্যু হৈছিল। শ্ৰীমতী ৰামশ্ৰীয়ে ব্যৱহাৰ কৰা বন্দুকটো অভিযুক্ত ব্যক্তিসকলে লৈ গৈছিল।

নিশা প্ৰায় ১১.৪৫ বজাত এজাহাৰ দাখিল কৰা হৈছিল। গাওঁখন আৰু আৰক্ষী থানাৰ মাজৰ দূৰত্ব ৮ কিলোমিটাৰ বুলি কোৱা হৈছে। মৈনপুৰীস্থিত জিলা চিকিৎসালয়ৰ শল্য চিকিৎসক ফৰিয়াদী সাক্ষী নং ৬-ডাঃ আৰ.কে. জৈনে মৃতদেহকেইটাৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰিছিল। আহতসকলক ফৰিয়াদী সাক্ষী নং ৮ -ডাঃ এছ.চি. ডুবেইৰ দ্বাৰা চিকিৎসা কৰা হৈছিল। ফৰিয়াদী পক্ষই প্ৰথম এজাহাৰকাৰী হৰপাল সিঙক তেওঁৰ গোচৰৰ সমৰ্থনত পৰীক্ষা কৰাৰ লগতে ফৰিয়াদী সাক্ষী নং ৩-বলবীৰ সিং আৰু ফৰিয়াদী সাক্ষী নং ৪-শ্ৰীমতী ৰূপৱতী, ফৰিয়াদী সাক্ষী নং ২- বীৰেন্দ্ৰ সিঙক পৰীক্ষা কৰিছিল। অৱশ্যে পিছত বীৰেন্দ্ৰ সিঙক প্ৰতিকূল সাক্ষী বুলি ঘোষণা কৰা হৈছিল। তদন্তকাৰী বিষয়া দুৰ্গা প্ৰসাদ শৰ্মাই ফৰিয়াদী সাক্ষী নং ৫ হিচাপে নিজকে পৰীক্ষা কৰিছিল।

হাজাৰিলাল আৰু শ্ৰীমতী ৰামশ্ৰীক হত্যা কৰা বাবে আপীলকাৰী আৰু জয় সিঙক ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ আৰু আনুষংগিক ধাৰা ১৪৯-ৰ অধীনত দোষী সাব্যস্ত কৰি আজীৱন সশ্ৰম কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰা হয়; বলবীৰ সিঙৰ ওপৰত প্ৰাণঘাতী আক্ৰমণ সংঘটিত কৰাৰ বাবে ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০৭ আৰু আনুষংগিক ধাৰা ১৪৯-ৰ অধীনত দোষী সাব্যস্ত কৰি তেওঁলোকক পাঁচ বছৰৰ কাৰাদণ্ড দিয়া হয় ; শ্ৰীমতী মোহৰশ্ৰীক

আঘাত কৰাৰ বাবে ভাৰতীয় দণ্ডবিধি  আইনৰ ধাৰা ৩২৪ আৰু আনুষংগিক ধাৰা ১৪৯-ৰ  অধীনত দোষী সাব্যস্ত কৰি দুবছৰৰ সশ্ৰম কাৰাদণ্ড প্ৰদান কৰা হয় । অৱশ্যে, আটাইকেইটা দণ্ড একেসময়তে প্ৰযোজ্য কৰিবলৈ নিৰ্দেশ দিয়া হয়। ইয়াৰ আগতে লক্ষ্য কৰাৰ দৰে, উচ্চ ন্যায়ালয়ে জয় সিঙক সন্দেহৰ সুবিধা লাভৰ সুযোগ প্ৰদানেৰে দোষমুক্ত কৰে।

আপীলকাৰীসকলৰ হৈ হাজিৰ হোৱা বিদ্বান অধিবক্তা ড° নাফিছ এ. ছিদ্দিকীয়ে আমাৰ সন্মুখত তলত উল্লেখ কৰা যুক্তি উত্থাপন কৰিছিলঃ

(i) প্ৰাথমিক তথ্য প্ৰতিবেদন কোনো ফৌজদাৰী নম্বৰ নিৰ্ধাৰণ নকৰাকৈ বিবেচনা কৰা হৈছিল।

(ii) ঘটনা সংঘটিত হোৱাৰ ধৰণ আৰু প্ৰথম এজাহাৰকাৰীয়ে ৮ কিলোমিটাৰ যাত্ৰা কৰিবলগীয়া হোৱাৰ প্ৰতি লক্ষ্য ৰাখি এজাহাৰ ১ ঘণ্টা ৪৫ মিনিটৰ ভিতৰত দাখিল কৰিব পৰা নগ'লহেঁতেন ।

**(**iii) উক্ত প্ৰতিবেদন পিছদিনাখন ,অৰ্থাৎ ,৩ নৱেম্বৰতহে বিদ্বান ন্যায়াধীশলৈ প্ৰেৰণ কৰাৰ পৰিপ্ৰেক্ষিতত, ইয়াক  বিলম্বিত প্ৰতিবেদন বুলি ধৰিব লাগে।

(iv) চিকিৎসা বিষয়ালৈ লিখা পত্ৰ 'হজুৰী চিথিজ' ত আৰু চিকিৎসকক মৰণোত্তৰ পৰীক্ষা কৰিবলৈ অনুৰোধ কৰা পত্ৰত ফৌজদাৰী নম্বৰটো উল্লেখ নকৰাটোৱে প্ৰমাণ কৰে যে প্ৰাথমিক তথ্য প্ৰতিবেদনখন দাখিল কৰোতে পলম হৈছিল।

(v) তদন্তকাৰী বিষয়াজনে মত প্ৰকাশ কৰিছিল যে ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩৯৬ ৰ অধীনত এক অপৰাধ সংঘটিত হোৱাৰ পিছত, ইয়াক ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ ৰ অধীনৰ অপৰাধলৈ ৰূপান্তৰ কৰাৰ কোনো যুক্তি নাছিল ।

(vi) মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনত প্ৰকাশ যে আঘাতসমূহৰ ভিতৰত এটা আঘাত (আঘাত নং ৫) ক'লা হৈছিল আৰু সেয়েহে, গুলীচালনা কম দূৰত্বৰ পৰা কৰা হ'ব লাগিব আৰু আপীলকাৰীসকলে পিষ্টল লৈ থকা বুলি কোৱাৰ পৰিপ্ৰেক্ষিতত তেওঁলোকে উক্ত আঘাতৰ সৃষ্টি কৰিব নোৱাৰিলেহেঁতেন।

(vii) আপীলকাৰীসকলৰ অপৰাধ সংঘটিত কৰাৰ কোনো অভিপ্ৰায় নাছিল আৰু তেওঁলোকক জড়িত কৰা হৈছে কাৰণ ভাৰতত অভিযুক্তৰ পৰিয়ালৰ সদস্যসকলক মিছাকৈ জড়িত কৰাৰ প্ৰৱণতা আছে।

(viii) প্ৰত্যক্ষদৰ্শী ফৰিয়াদী সাক্ষী নং ১ আৰু ২-এ ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ১৬১ ৰ অধীনৰ তেওঁলোকৰ বিবৃতিত আৰক্ষীৰ আগত ১ নং আপীলকাৰীৰ নাম উল্লেখ নকৰাৰ পৰিপ্ৰেক্ষিতত তেওঁলোকৰ ওপৰত নিৰ্ভৰ কৰিব নালাগিছিল।

(ix) অপৰাধটো সংঘটিত কৰাৰ ক্ষেত্ৰত আপীলকাৰী আৰু আন অভিযুক্তসকলৰ উমৈহতীয়া অভিপ্ৰায় আছিল বুলি অনুমান কৰাৰ বাবে কোনো তথ্য নিৰ্ণয় কৰিব পৰা নাই।

আনহাতে, ৰাজ্য চৰকাৰৰ হৈ হাজিৰ হোৱা বিদ্বান অধিবক্তা অশোক কে. শ্ৰীবাস্তৱে এই বিবাদিত ৰায়দানক সমৰ্থন জনাইছিল।

বিদ্বান সত্ৰ ন্যায়াধীশ তথা উচ্চ ন্যায়ালয়ে ফৰিয়াদী পক্ষই দাখিল কৰা নথিভুক্ত সাক্ষ্য পুংখানুপুংখভাৱে বিশ্লেষণ কৰিছিল।

খৰতকীয়াভাৱে এজাহাৰ দাখিল কৰা হৈছিল। এনে এক ভয়ংকৰ অপৰাধ সংঘটিত হোৱাৰ পিছত, ১ নং ফৰিয়াদী সাক্ষীয়ে যথাসম্ভৱ সোনকালে আৰক্ষীক খবৰ দিয়াটো স্বাভাৱিক আছিল। আহত ব্যক্তিসকলৰ বাবে প্ৰয়োজনীয় চিকিৎসা লোৱাটোও প্ৰয়োজনীয় আছিল, বিশেষকৈ তেওঁলোকে সন্মুখীন হোৱা আঘাতৰ

প্ৰকৃতিৰ পৰিপ্ৰেক্ষিতত। ১ নং ফৰিয়াদী সাক্ষীয়ে গৰুগাড়ী এখনত উঠি গাঁৱৰ উপকণ্ঠ অঞ্চললৈ গৈছিল। তাৰ পিছত তেওঁ ব্ৰজ ভুজবল সিং ঠাকুৰ নামৰ এজন লোকৰ ট্ৰেক্টৰখন লৈ আৰক্ষী থানালৈ ৰাওনা হৈছিল। তেওঁ চাইকেল চলাই নিজৰ গাঁৱলৈ উভতি আহিছিল।

প্ৰাথমিক তথ্য প্ৰতিবেদন বিলম্ব হোৱা অভিযোগৰ প্ৰশ্নৰ ওপৰত তদন্তকাৰী বিষয়াজনক জেৰা কৰা হৈছিল। এইটো হ'ব পাৰে যে পিছদিনা বিশেষ প্ৰতিবেদন দণ্ডাধীশলৈ প্ৰেৰণ কৰা হৈছিল, কিন্তু, সংঘটনৰ মাত্ৰাৰ প্ৰতি লক্ষ্য ৰাখি, এইটোৱে সমগ্ৰ ফৰিয়াদী পক্ষৰ কাহিনীটোক অস্বীকাৰ নকৰে।

দাখিল কৰা নথিপত্ৰসমূহত ফৌজদাৰী গোচৰৰ সংখ্যা উল্লেখ কৰা হোৱা নাছিল বুলি আপীলকাৰীসকলৰ হৈ বিদ্বান অধিবক্তাই কৰা উপস্থাপন আমি স্বীকাৰ কৰিবলৈ অক্ষম। তদন্তৰ প্ৰতিবেদনত ফৌজদাৰী গোচৰৰ সংখ্যা উল্লেখ কৰা হৈছিল। তাত প্ৰাথমিক তথ্য প্ৰতিবেদন নথিভুক্ত কৰা সময়ৰ কথাও উল্লেখ কৰা হৈছিল। মৃতদেহৰ চালানত অথবা আহত ব্যক্তিসকলৰ স্বাস্থ্য পৰীক্ষা সম্পন্ন কৰাৰ বাবে আৰু মৃতকৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন লাভৰ বাবে চিকিৎসকলৈ লিখা পত্ৰত ফৌজদাৰী গোচৰৰ সংখ্যা উল্লেখ কৰাৰ প্ৰয়োজন নাছিল। সেই নথিপত্ৰবোৰ, নিঃসন্দেহে পঞ্চনামা প্ৰস্তুত কৰাৰ পিছত প্ৰস্তুত কৰা হৈছিল আৰু আমাৰ মতে পঞ্চনামাত লিপিবদ্ধ কৰা তথ্য, আন নথিপত্ৰত উল্লেখ কৰাৰ প্ৰয়োজন নাছিল আৰু যিকোনো পৰিস্থিতিত, এনে বাদ দিয়া পদক্ষেপৰ বিশেষ গুৰুত্ব নাথাকিব। ১ নং ফৰিয়াদী সাক্ষীও উক্ত পঞ্চনামাৰ সাক্ষী আছিল।

আমাৰ মতে চিকিৎসা সম্পৰ্কীয় সাক্ষ্যই ফৰিয়াদী পক্ষৰ গোচৰটো সমৰ্থন কৰে। মৃতক আৰু আহত ব্যক্তিসকলৰ দেহত পোৱা আঘাতসমূহে নিশ্চিতভাৱে সূচায় যে সেইবোৰ আগ্নেয়াস্ত্ৰৰ ফলত হৈছিল। তদন্তকাৰী বিষয়াগৰাকীয়েও ঘটনাস্থলীৰ পৰা বৃহৎ পৰিমাণৰ কাৰ্টিজ উদ্ধাৰ কৰে। নথিভুক্ত সাক্ষ্যইয়ো

আভাস দিয়ে যে শ্ৰীমতী ৰামশ্ৰীক লক্ষ্য কৰি  নিৰ্বিচাৰ গুলীচালনা কৰা হৈছিল। তেওঁক মৃত অৱস্থাত পোৱা ঘৰটোৰ খিৰিকীখন ভাঙি গৈছিল। শ্ৰীমতী ৰামশ্ৰীয়ে ব্যৱহাৰ কৰা বন্দুকটোও হেৰাইছিল।

সেয়েহে, আমি বিদ্বান সত্ৰ ন্যায়াধীশ আৰু উচ্চ ন্যায়ালয়ৰ ৰায়ৰ সৈতে ভিন্নমত পোষণ কৰাৰ কোনো কাৰণ বিচাৰি পোৱা নাই।

আপীলকাৰী আৰু অন্যান্য অভিযুক্ত ব্যক্তিসকলৰ দ্বাৰা হত্যাকাণ্ড সংঘটিত কৰাৰ অভিপ্ৰায় স্পষ্ট হৈছে। অভিযুক্তসকলে জানিব পাৰিছিল যে গাঁৱত ৰাম ঔতাৰ উপস্থিত আছিল, সেয়ে তেওঁলোকে এই অপৰাধ সংঘটিত কৰিছিল। ৰাম ঔতাৰ বিহাৰ ৰাজ্যৰ গোপালগঞ্জলৈ স্থানান্তৰিত হৈছিল আৰু ৰাম স্বৰূপ মৈনপুৰীলৈ স্থানান্তৰিত হৈছিল। এইদৰে তিনিওজন চাক্ষুষ সাক্ষীয়ে গোচৰটো সম্পূৰ্ণৰূপে সমৰ্থন কৰিছিল।

ফৰিয়াদী সাক্ষী নং ১ আৰু ২-এ  ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ১৬১ ৰ অধীনৰ তেওঁলোকৰ বিবৃতিত হৰিলালৰ নাম উল্লেখ কৰা নাছিল বুলি শ্ৰী ছিদ্দিকীৰ উপস্থাপন সত্য নহয়। তেওঁলোকে তেওঁৰ নাম উল্লেখ কৰিছিল। তেওঁলোকে মাথোন তেওঁৰ নাম আগ্নেয়াস্ত্ৰ ব্যৱহাৰকাৰী হিচাপে উল্লেখ কৰা নাছিল।  আপীলকাৰীসকলৰ হাতত পিষ্টল নে বন্দুক আছিল সেই সন্দৰ্ভত কিছু পাৰ্থক্য আছে। আমাৰ মতে, এইয়া আমাৰ উদ্দেশ্যৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ সমল নহয়। গোচৰটোৰ তথ্য আৰু পৰিস্থিতিত, আপীলকাৰীসকলৰ উমৈহতীয়া অভিপ্ৰায় প্ৰমাণ কৰাত ফৰিয়াদী পক্ষ ব্যৰ্থ হৈছে বুলি বিদ্বান অধিবক্তাৰ উপস্থাপন গ্ৰহণ কৰিবলৈ আমি অক্ষম।

বিদ্বান অধিবক্তাই  নিৰ্ভৰ কৰা কেইটামান সিদ্ধান্ত  আমি লক্ষ্য কৰিব পাৰোঁ। *বালাদিন আৰু অন্যান্য বনাম উত্তৰ প্ৰদেশ চৰকাৰ*, এ আই আৰ (১৯৫৬) এছ চি ১৮১, গোচৰটোত এই  ন্যায়ালয়ে ৰায় দিছিল যে কেৱল এজন ব্যক্তিৰ উপস্থিতিয়ে তেওঁক বেআইনী সমাৱেশৰ সদস্য নকৰে। অৱশ্যে উক্ত সিদ্ধান্তটো

*মাছাল্টি আৰু অন্যান্য বনাম উত্তৰ প্ৰদেশ চৰকাৰ,* এ আই আৰ (১৯৬৫) এছ চি ২০২, গোচৰটোত এই ন্যায়ালয়ে ব্যাখ্যা কৰিছে ,য 'ত এইটো স্পষ্টভাৱে উল্লেখ কৰা হৈছে যে তাত প্ৰাপ্ত হোৱা বিশেষ তথ্যবোৰৰ আধাৰত এই ৰায়দান কৰা হৈছিল আৰু এনেদৰে অভিমত ব্যক্ত কৰেঃ

> ".........অন্য অৰ্থত ক'বলৈ গ'লে, ধাৰা ১৪১-ৰ পাঁচটা দফাৰ দ্বাৰা নিৰ্ধাৰিত এক বা ততোধিক উমৈহতীয়া অভিপ্ৰায়ৰ বশৱৰ্তী হোৱা পাঁচ বা ততোধিক ব্যক্তিৰ সমাৱেশেই হৈছে এক বেআইনী সমাৱেশ। এনে ক্ষেত্ৰত নিৰ্ধাৰণ কৰিব লগা নিৰ্ণায়ক প্ৰশ্নটো হ'ল সমাৱেশত পাঁচজন বা ততোধিক ব্যক্তি আছিল নে নাই আৰু উক্ত ব্যক্তিসকলে ধাৰা ১৪১-ৰ দ্বাৰা নিৰ্ধাৰিত এক বা ততোধিক উমৈহতীয়া অভিপ্ৰায়ৰ বশৱৰ্তী হৈছিল নে নাই। এই প্ৰশ্নটো নিৰ্ধাৰণ কৰাৰ সময়ত, এইটো বিবেচনা কৰাটো প্ৰাসংগিক হৈ পৰে যে সমাৱেশত এনে কিছুমান ব্যক্তি আছিল নেকি যিসকল কেৱল নিষ্ক্ৰিয় সাক্ষীহে আছিল আৰু সমাৱেশত উমৈহতীয়া অভিপ্ৰায়ৰ বশৱৰ্তী নোহোৱাকৈ অলস কৌতূহলৰ বশৱৰ্তী হৈহে সমাৱেশত যোগদান কৰিছিল। সেই সন্দৰ্ভত বালাদিন আৰু অন্যান্য ,এ আই আৰ (১৯৫৬) এছ চি ১৮১ গোচৰটোত এই ন্যায়ালয়ে কৰা পৰ্যবেক্ষণবোৰে তাৎপৰ্য বহন কৰে; অন্যথা, আইন মতে, এজন ব্যক্তিক বেআইনী সমাৱেশৰ সদস্য বুলি ৰায় দিয়াৰ আগতে এইটো দেখুৱাব লাগিব যে তেওঁ কিছুমান অবৈধ কাৰ্য প্ৰকাশ্যে কৰিছিল বা সমাৱেশৰ উমৈহতীয়া অভিপ্ৰায় অনুসৰণ কৰি কিছুমান অবৈধ গাফিলতি কৰাৰ বাবে দোষী আছিল। দৰাচলতে, ধাৰা ১৪৯-এ এইটো স্পষ্ট কৰি দিয়ে যে যদি এক বেআইনী সমাৱেশৰ কোনো সদস্যই সেই সমাৱেশৰ উমৈহতীয়া অভিপ্ৰায়ৰ অনুসৰণত কোনো অপৰাধ সংঘটিত কৰে, বা সেই সমাৱেশৰ সদস্যসকলে সেই অভিপ্ৰায়ৰ অনুসৰণত অপৰাধ সংঘটিত হ'ব পৰাৰ সম্ভাৱনা সম্পৰ্কে অৱগত হয়, তেন্তে সেই

অপৰাধ সংঘটিত কৰাৰ সময়ত উপস্থিত থকা উক্ত সমাৱেশৰ প্ৰতিজন ব্যক্তি সেই অপৰাধৰ বাবে দোষী হ'ব; আৰু ই দৃঢ়তাৰে এই নীতি প্ৰকাশ কৰে যে ধাৰা ১৪৯-ৰ দ্বাৰা নিৰ্ধাৰিত শাস্তি এক অৰ্থত প্ৰতিনিধিত্বমূলক আৰু বেআইনী সমাৱেশৰ প্ৰতিজন সদস্যই প্ৰকৃততে অপৰাধ সংঘটিত কৰা দিশটোৰ ভিত্তিত সদায় আগ নাবাঢ়ে । সেয়েহে, আমি সন্তুষ্ট যে বালাদিন আৰু অন্যান্য, এ আই আৰ (১৯৫৬) এছ চি ১৮১, গোচৰটোৰ ক্ষেত্ৰত কৰা পৰ্যবেক্ষণবোৰ সেই গোচৰৰ বিশেষ তথ্যৰ সন্দৰ্ভত পঢ়িব লাগিব আৰু শ্ৰী চাহানীয়ে অভিমত প্ৰকাশ কৰাৰ দৰে আইনৰ অযোগ্য বিবৃতি বুলি গণ্য কৰিব নালাগিব। "

*নাথু সিং যাদৱ বনাম মধ্য প্ৰদেশ চৰকাৰ,* জে টি (২০০২) ৯ এছ চি ৫৯১ গোচৰটোৰ ওপৰতো নিৰ্ভৰশীলতা প্ৰকট কৰা হয় য'ত আকৌ *ওগৰ আহিৰ আৰু অন্যান্য বনাম বিহাৰ চৰকাৰ,* এ আই আৰ(১৯৬৫) এছ চি ২৭৭, ৰ ৰায় নিৰীক্ষণ কৰা হয়।

তাত কোনো আইনী নীতি নিৰ্ধাৰণ কৰা নাই। সেই গোচৰকেইটাৰ ক্ষেত্ৰত বাস্তৱ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি সিদ্ধান্ত লোৱা হৈছিল।

ভাৰতীয় দণ্ডবিধি আইনৰ ১৪১ আৰু ১৪২ নং ধাৰা তলত উল্লেখ কৰা হৈছেঃ

"(১৪১) বেআইনী সমাবেশ। পাঁচ বা ততোধিক ব্যক্তিৰ সমাৱেশক 'বেআইনী সমাৱেশ' হিচাপে সূচোৱা হ'ব, যদিহে সেই সমাৱেশ গঠন কৰা ব্যক্তিসকলৰ উমৈহতীয়া অভিপ্ৰায় এনেকুৱা হয়-

প্ৰথম- কেন্দ্ৰীয় চৰকাৰ বা যিকোনো ৰাজ্য চৰকাৰ বা সংসদ বা যিকোনো ৰাজ্যৰ বিধানমণ্ডল, বা কোনো ৰাজহুৱা কৰ্মচাৰীক আইনসন্মত ক্ষমতা প্ৰয়োগ কৰাৰ ক্ষেত্ৰত অপৰাধমূলক বল প্ৰয়োগ কৰা, বা অপৰাধমূলক বল প্ৰদৰ্শন কৰা; বা

দ্বিতীয়-যিকোনো আইন, বা যিকোনো আইনী প্ৰক্ৰিয়াৰ কাৰ্যকৰীকৰণত বাধা প্ৰদান কৰা; বা

তৃতীয়-কোনো অনিষ্ট সাধন কৰা বা অপৰাধমূলক অনধিকাৰ প্ৰৱেশ কৰা, বা অন্য অপৰাধ সংঘটিত কৰা; বা

চতুৰ্থ- কোনো ব্যক্তিৰ কোনো সম্পত্তি দখল কৰাৰ ক্ষেত্ৰত বা লাভ কৰাৰ ক্ষেত্ৰত, পথৰ অধিকাৰ উপভোগ কৰাৰ ক্ষেত্ৰত ,বা পানী ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত, বা সাব্যস্ত কৰি থকা কোনো অমূৰ্ত অধিকাৰ বাহালৰ ক্ষেত্ৰত, বা কোনো অধিকাৰ বা সত্য ৰূপে গৃহীত অধিকাৰ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত ফৌজদাৰী বল প্ৰয়োগ কৰা, বা ফৌজদাৰী বল প্ৰদৰ্শন কৰা।

পঞ্চম-কোনো ব্যক্তিয়ে বিধিসন্মতভাৱে কৰিব নোৱৰা কাম কৰিবলৈ বাধ্য কৰাৰ উদ্দেশ্যে, বা বিধিসন্মতভাৱে কৰিব পৰা কাম সম্পাদন নকৰিবলৈ বাধ্য কৰাৰ উদ্দেশ্যে ফৌজদাৰী বল প্ৰয়োগ কৰা, বা ফৌজদাৰী বল প্ৰদৰ্শন কৰা।

ব্যাখ্যা-যি সমাৱেশ একত্ৰিত হোৱাৰ সময়ত বেআইনী নাছিল, পৰৱৰ্তী সময়ত সেয়া এক বেআইনী সমাৱেশত পৰিণত হ’ব পাৰে।

"(১৪২) বেআইনী সমাৱেশৰ সদস্য হোৱা-যিয়ে কোনো সমাৱেশক বেআইনী সমাৱেশ হিচাপে গঢ়ি তোলা তথ্যৰ বিষয়ে অৱগত হয়, তথাপি ইচ্ছাকৃতভাৱে সেই সমাৱেশত যোগদান কৰে, বা তাত অবিৰতভাৱে জড়িত থাকে, তেওঁক বেআইনী সমাৱেশৰ সদস্য বুলি কোৱা হয়।“

উমৈহতীয়া অভিপ্ৰায়ৰ অৰ্থ এয়ে হ’ব যে এনে সমাৱেশৰ সকলো সদস্যই উদ্দেশ্য বা অভিসন্ধিৰ অংশীদাৰ আছিল । ই যিকোনো পৰ্যায়ত গঠন হ'ব পাৰে।

এটা নিৰ্দিষ্ট গোচৰত অভিযুক্ত ব্যক্তিসকলে উমৈহতীয়া অভিপ্ৰায়ৰ অংশীদাৰীত্ব কৰিছিল নে নাই, সেইয়া অভিযুক্ত ব্যক্তিসকলৰ কাৰ্যকলাপ আৰু আচৰণৰ পৰা নিশ্চিত হ'ব লাগিব। চৌপাশৰ পৰিস্থিতিও প্ৰাসংগিক আৰু এই সন্দৰ্ভত এক সিদ্ধান্তত উপনীত হোৱাৰ ক্ষেত্ৰত এয়া বিবেচনা কৰিব পাৰি।

ই দুটা ভাগত বিভক্ত। উমৈহতীয়া অভিপ্ৰায়ৰ পৰিপ্ৰেক্ষিতত অপৰাধটো সংঘটিত হ'লে প্ৰথম অংশটো প্ৰযোজ্য হ'ব। জনসমাৱেশৰ উমৈহতীয়া অভিপ্ৰায় পোনপটীয়াকৈ কাৰ্যকৰী কৰা সত্বেও যদি এয়া সংঘটিত নহয় তেনে ক্ষেত্ৰতো ভাৰতীয় দণ্ডবিধি আইনৰ ১৪৯ নং ধাৰা প্ৰযোজ্য হ'ব।

অৱশ্যে এনে উমৈহতীয়া অভিপ্ৰায়ৰ পৰিপ্ৰেক্ষিতত অপৰাধটো সংঘটিত হ'লে এইয়া দ্বিতীয় অংশৰ পৰিসৰত থাকিব।

এই গোচৰটোত, সকলো অভিযুক্ত ব্যক্তিয়ে যথেষ্ট অস্ত্ৰ-শস্ত্ৰ লৈ আহিছিল। তেওঁলোকক বলবীৰ সিঙে দেখা পাইছিল। তেওঁক কেৱল খেদি পঠিওৱাই নহয়, তেওঁৰ ওপৰত এটা গুলী চলোৱা হৈছিল যাৰ ফলত তেওঁ সোঁ বাহুত আঘাত পাইছিল। তেওঁ তেতিয়াও দৌৰিছিল আৰু অন্য লোকসকলক অৱগত কৰিছিল। অন্য লোকসকলে নিজকে লুকুৱাবলৈ প্ৰয়াস কৰাৰ আগতে, আপীলকাৰীসকলে ঘটনাস্থলীত উপস্থিত হৈ গুলীবৰ্ষণ আৰম্ভ কৰে। নিকট দূৰত্বৰ পৰা গুলীচালনা কৰাৰ ফলত হাজাৰিলালৰ মৃত্যু হৈছিল। মৰণোত্তৰ পৰীক্ষাৰ শল্যচিকিৎসকে কিমান দূৰত্বৰ পৰা গুলীচালনা কৰা হৈছিল সেয়া কোৱা নাছিল । এইটো ব্যৱহাৰ কৰা অস্ত্ৰৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰিব। এটা পিষ্টলৰ ক্ষেত্ৰত এই দূৰত্ব ২ ফুট হ'ব পাৰে, আনহাতে এটা বন্দুকৰ ক্ষেত্ৰত এই দূৰত্ব ৩ ফুট হ'ব পাৰে। কিন্তু, নিঃসন্দেহে আঘাতটো অতি কম দূৰত্বৰ পৰা চালনা কৰা এটা গুলীৰ ফলত হৈছিল। মোদী বিৰচিত "মেডিকেল জুৰিছপ্ৰুডেন্স আৰু টক্সিক'লজি"-ৰ ২৩ তম সংস্কৰণৰ ৭২১ নং পৃষ্ঠাত এনেদৰে উল্লেখ কৰা হৈছেঃ

> "যদি এটা আগ্নেয়াস্ত্ৰৰে শৰীৰৰ অতি ওচৰত বা প্ৰকৃত সংস্পৰ্শত গুলিওৱা হয়, তেন্তে গুলীয়ে যি অংশৰে প্ৰৱেশ কৰে সেই অংশত হোৱা

ঘাৰ চাৰিওফালে দুই বা তিনি ইঞ্চিলৈকে অৱত্বকীয়  কলাবোৰ ফালি-ছিৰি যায় আৰু চাৰিওফালৰ ছাল সাধাৰণতে জ্বলি যায় আৰু ধোঁৱাৰ প্ৰভাৱত ক'লা বৰণৰ  হৈ পৰে আৰু গানপাউডাৰৰ অদাহিত দানাৰে বা ধোঁৱাবিহীন প্ৰপেলেণ্ট পাউডাৰেৰে টেটুসদৃশ সজ্জা গঠন হয়। কাষৰীয়া চুলিবোৰ পুৰি যায়, আৰু অংশটো ঢাকি ৰখা কাপোৰবোৰ অগ্নিশিখাৰ দ্বাৰা জ্বলি যায়। যদি পাউডাৰটো ধোঁৱাবিহীন হয় তেন্তে ঘাটোৰ চাৰিওফালে  ছালত ধূসৰ বা বগা অৱক্ষেপন জমা হ'ব পাৰে। যদি অৱলোহিত পোহৰৰ দ্বাৰা অংশটোৰ আলোকচিত্ৰ প্ৰস্তুত কৰা হয়, তেন্তে ঘাটোৰ চাৰিওফালে এটা ধোঁৱাৰ প্ৰভামণ্ডল স্পষ্টভাৱে লক্ষ্য কৰিব পাৰি। যদি বন্দুকৰ দৰে আগ্নেয়াস্ত্ৰৰে প্ৰায় তিনি ফুট দূৰত্বৰ পৰা আৰু ৰিভলভাৰ বা পিষ্টলেৰে প্ৰায় দুই ফুট দূৰত্বৰ পৰা গুলীচালনা কৰা হয়, তেন্তে  ক’লাবৰণ দৃশ্যমান হয়।  পাউডাৰৰ অৱশিষ্টৰ অনুপস্থিতিত দূৰৱৰ্তী গুলীচালনা আৰু আনটোৰ মাজত কোনো পাৰ্থক্য  নিৰ্ণয় কৰিব নোৱাৰি। পিছৰ আগ্নেয়াস্ত্ৰৰ ক্ষেত্ৰত কিছু ইঞ্চিৰ ভিতৰতে দহন দেখা যায়, আনহাতে বন্দুকৰ ক্ষেত্ৰত দহনৰ প্ৰমাণ একৰ পৰা তিনি ফুটৰ ভিতৰত পোৱা যাব পাৰে। তদুপৰি, অস্ত্ৰটো শৰীৰৰ ছালৰ ওপৰত জোৰেৰে হেঁচি ধৰিলে এই লক্ষণবোৰ নাথাকিব পাৰে, কিয়নো বিস্ফোৰণৰ গেছ আৰু শিখাৰ ধোঁৱা আৰু গানপাউডাৰৰ  কণাবোৰে শৰীৰত গুলীৰ গতিপথ অনুসৰণ কৰিব। বৰষুণত ছাল বা কাপোৰ  সিক্ত হ’লে দহনৰ মাত্ৰা হ্ৰাস পায়। আৰ্দ্ৰপৃষ্ঠৰ দ্বাৰা ক'লা হোৱাটো প্ৰভাৱিত নহয় যদিও ইয়াক সহজে তিতা কাপোৰেৰে আঁতৰাব পাৰি। উচ্চ ক্ষমতাসম্পন্ন ৰাইফলৰ দ্বাৰা ক’লা বৰণৰ সৃষ্টি প্ৰায় এক ফুটলৈকে হ'ব পাৰে। সাধাৰণতে  দহন নোহোৱা পাউডাৰৰ কণিকাৰ উপস্থিতিয়ে সূচায় যে  যে গুলীটো ৰিভলভাৰ বা পিষ্টলৰ পৰা নিক্ষেপ কৰা হৈছিল আৰু

ব্যৱহাৰ কৰা অস্ত্ৰৰ বেৰেলটো যিমানেই সৰু হয় সিমানেই সামান্য দহন হোৱা পাউডাৰৰ কণিকাৰ উপস্থিতিৰ প্ৰৱণতা অধিক হ'ব।"

মেজৰ ছাৰ জেৰাল্ড বুৰাৰ্ড বিৰচিত গ্ৰন্থ "দ্য আইডেণ্টিফিকেচন অৱ ফায়াৰ আৰ্মছ এণ্ড ফৰেনচিক বেলিষ্টিকছ"ৰ ৫৯ নং পৃষ্ঠাত  এনেদৰে উল্লেখ কৰা হৈছেঃ

"পুৰি যোৱা আৰু ক'লা পৰা দুয়োটাই গুলীটো অতি ওচৰৰ পৰা চলোৱা বুলি নিশ্চিতভাৱে প্ৰমাণ কৰে, মৃতকজনে নিজেই গুলীটো চলাইছিল বুলি সন্দেহযুক্ত ব্যক্তি এজনে কৰা দাবী মিছা বুলি প্ৰমাণ কৰিব নোৱাৰি যদিহে ব্যৱহাৰ কৰা অস্ত্ৰটো এটা পিষ্টল বা ৰিভলভাৰ হয়। কিন্তু যদি এইটো প্ৰমাণ কৰিব পাৰি যে গুলীচালনাৰ পৰিসৰ মৃতকৰ বাহুৰ দৈৰ্ঘ্যতকৈ অধিক, তেন্তে বিষয়টোৰ ৰেহৰূপ কিছু বেলেগ হ'ব, আৰু এজন হত্যাকাৰীক দোষী সাব্যস্ত কৰাৰ ক্ষেত্ৰত এই সাক্ষ্য উপযোগী হ' ব পাৰে।

ক'লা হোৱাৰ পৰিসৰৰ চৰম সীমা যিকোনো সাধাৰণ ব্যক্তিৰ বাহুৰ দৈৰ্ঘ্যৰ ভিতৰত থাকে, আৰু সেয়েহে গুলীৰ আঘাত  ক'লা নোহোৱাটোৱে এইবুলি কোনো প্ৰমাণ নিদিয়ে যে গুলীটো  যথেষ্ট দূৰৰ পৰা চলোৱা হৈছিল যাৰ ফলত মৃতকজনৰ বাবে অস্ত্ৰটো বা অস্ত্ৰটো ধৰি ৰখা বুলি সন্দেহ কৰা ব্যক্তিজনক ধৰাটো অসম্ভৱ আছিল।

অৱশ্যে, দহন নোহোৱা বা আংশিকভাৱে দহন হোৱা পাউডাৰৰ কণিকাৰ  উপস্থিতি বা অনুপস্থিতিয়ে এটা পৰিসৰ সূচাব পাৰে যি  এই গুৰুত্বপূৰ্ণ দূৰত্বৰ অন্তৰ্ভুক্ত অথবা বহিৰ্ভুক্ত; আৰু এই কাৰণে দহন নোহোৱা পাউডাৰ কণিকাৰ প্ৰশ্নৰ তদন্ত এক প্ৰাথমিক গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিব পাৰে।

[(২০০৬) ১২ এছ চি এ এল ই ৩৫৪ ত প্ৰকাশিত *বাসু প্ৰসাদ আৰু অন্যান্য বনাম বিহাৰ চৰকাৰ,* চাওক।]

অৱশ্যে ইয়াৰ বাবে কোনো ধৰাবন্ধা নিয়ম নিৰ্ধাৰণ কৰিব নোৱাৰি।

ৰাছেল এ গ্ৰেগৰী বিৰচিত গ্ৰন্থ "আইডেন্টিফিকেচন অব় ডিছ্‌পিউটেড ডকুমেন্তছ, ফিংগাৰ প্ৰিণ্টছ এণ্ড বেলিষ্টিকছ”-ৰ তৃতীয় সংস্কৰণৰ ১১৭ নং পৃষ্ঠাত এনেদৰে উল্লেখ কৰা হৈছেঃ

"এটা আগ্নেয়াস্ত্ৰৰে কিমান দূৰত্বৰ পৰা গুলীচালনা কৰা হৈছিল সেয়া সীমিত পৰিমাণেহে বিচাৰ কৰিব পাৰি। যদি ক'লা পাউডাৰ ব্যৱহাৰ কৰা হয়, তেন্তে ঘাটোৰ চাৰিওফালে পাউডাৰে কৰা নক্সাসদৃশ চিহ্নবোৰৰ উপস্থিতিয়ে আঘাতটোৰ পৰা অস্ত্ৰটোৰ দূৰত্বৰ বিষয়ে কিছু ইংগিত দিব। এইটো বন্দুকৰ নলী আৰু কাৰ্টিজৰ গঢ়ৰ ওপৰত ভিত্তি কৰি পৃথক হ'ব। যদি অপৰাধ সংঘটিত হোৱা স্থানত কোনো খালী কাৰ্টিজ পোৱা যায়, তেন্তে সন্দেহজনক অস্ত্ৰত একেধৰণৰ কাৰ্টিজ পৰীক্ষা কৰিব লাগে আৰু পেলেটবোৰৰ বিক্ষিপ্তকৰণ বা অদাহিত পাউডাৰৰ ব্যাপনেৰে দূৰত্ব নিৰ্ণয় কৰিব লাগে। অৱশ্যে আজিকালি কাৰ্টিজত ক'লা পাউডাৰ কদাচিতহে ব্যৱহাৰ কৰা হয়। আধুনিক ধোঁৱাবিহীন পাউডাৰে আঠৰ পৰা দহ ইঞ্চিৰ ওপৰত দাহিত পাউডাৰৰ সামান্য চিহ্ন এৰে। এই দূৰত্বৰ ভিতৰত দহন নোহোৱা পাউডাৰৰ সৰু সৰু কণাবোৰ কাপোৰত বা গুলী প্ৰৱেশ কৰা অংশৰ ঘাত সংলগ্ন হৈ থকা দেখা যাব পাৰে। অভিযুক্তৰ হাতত পোৱা গুলী-বাৰুদৰ পাউডাৰৰ সৈতে মিল থাকিলে এইবোৰৰ সাক্ষ্যগত মূল্য থাকিব পাৰে।"

বিদ্বান অধিবক্তাৰ উপস্থাপন অনুসৰি ইয়াত কোনো সন্দেহ থাকিব নোৱাৰে যে যেতিয়া দুটা দৃষ্টিভংগী সম্ভৱ হয়, তেতিয়া অভিযুক্তক সন্দেহৰ ভিত্তিত লাভালাভৰ সুবিধা প্ৰদান কৰিব লাগিব। কিন্তু, উচ্চ ন্যায়ালয়ে সঠিক সিদ্ধান্তত উপনীত হোৱা সন্দৰ্ভত আমাৰ কোনো সন্দেহ নাই।

ওপৰত উল্লেখ কৰা কাৰণবোৰৰ বাবে, আমাৰ বিবেচনা অনুসৰি, এই আপীলত কোনো  যোগ্যতা নাই। সেইমৰ্মে ইয়াক খাৰিজ কৰা হ'ল।

আপীলকাৰীসকল জামিনত আছে। তেওঁলোকৰ জামিন বণ্ড বাতিল কৰা হ'ল। তেওঁলোকক মৈনপুৰীৰ মুখ্য ন্যায়িক ন্যায়াধীশৰ সন্মুখত ততালিকে আত্মসমৰ্পণ কৰিবলৈ নিৰ্দেশ দিয়া হ'ল, ইয়াৰ অন্যথা তেওঁলোকক গ্ৰেপ্তাৰৰ বাবে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰা হ 'ব।

আপীল খাৰিজ কৰা হ'ল।

*অনুবাদকঃ শ্ৰী প্ৰবীণ হাজৰিকা, অধিবক্তা*

*পৰীক্ষণঃ দিতিমণি গগৈ, স্পেচিয়েল অফিচাৰ, অনুবাদ শাখা*

*Disclaimer- The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.*

*"স্থানীয় ভাষা লৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে । ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰী কৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।*